# আশাপূৰ্ণা দেৱীৰ ‘প্ৰথম প্ৰতিশ্ৰুতি’ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

*হিৰোমনি দিহিঙীয়া*

**সাৰাংশ**

আশাপূৰ্ণা দেৱী বাংলা সাহিত্য জগতৰ এগৰাকী স্বনামধন্য লেখিকা। ১৯৯০ চনৰ ৮ জানুৱাৰীত জন্ম লাভ কৰা আশাপূৰ্ণা দেৱীৰ জীৱন মানেই এক বৰ্ণাঢ্য যাত্ৰা। সুদীৰ্ঘ তিনিকুৰি ছবছৰীয়া জীৱন পৰিক্ৰমাত আশাপূৰ্ণা দেৱীৰ সৃষ্টিশীল মন আৰু প্ৰতিভাৰে চহকী হৈছিল বাংলা সাহিত্য আৰু বাংলা সমাজ। ৰক্ষণশীল সমাজত জন্মগ্ৰহণ কৰা হেতুকে আশাপূৰ্ণা দেৱীৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল। কিন্তু সৌভাগ্যৰ কথা এয়ে যে আশাপূৰ্ণা দেৱীৰ পিতৃ-মাতৃ ৰক্ষণশীল মনৰ মানুহ নাছিল। সেয়ে ঘৰুৱা শৈক্ষিক পৰিৱেশ এটাত ডাঙৰ-দীঘল হোৱা আশাপূৰ্ণা দেৱীয়ে পঢ়াৰ সুবিধা লাভ কৰি পৰৱৰ্তী সময়ত স্ব-ৰচনাৰ ক্ষেত্ৰত উদ্বুদ্ধ হয়। ১৯১২ চনত প্ৰথমবাৰৰ বাবে আশাপূৰ্ণা দেৱীয়ে এখন শিশু আলোচনীলৈ গোপনে এটি কবিতা প্ৰেৰণ কৰে। পৰৱৰ্তী সময়ত শিশু আলোচনীখনৰ সম্পাদক ৰাজকুমাৰ চক্ৰৱৰ্তীয়ে তেওঁৰ দ্বাৰা ৰচিত কবিতা আৰু গল্প শিশু আলোচনীখনলৈ প্ৰেৰণ কৰিবৰ বাবে অনুৰোধ কৰে। আশাপূৰ্ণা দেৱীৰ প্ৰতি কৰা এনে ধৰণৰ অনুৰোধে লেখিকাগৰাকীক সৃষ্টিশীল সাহিত্য ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰে। সৃষ্টিশীল সাহিত্যৰ বিভিন্ন বিভাগ কবিতা, গল্প, শিশু সাহিত্য, প্ৰবন্ধ আদিৰ দৰে তেওঁ চহকী কৰিছিল উপন্যাস সাহিত্যৰ ভঁৰাল। উপন্যাস এনে এক কলা-যাৰ জৰিয়তে জীৱন আৰু জগত উদ্ভাসিত হয়। তেখেতৰ অমৰ উপন্যাসৰাজিৰ ভিতৰত উল্লেখযোগ্য হ’ল ‘প্ৰথম প্ৰতিশ্ৰুতি’, ‘সুবৰ্ণলতা’ আৰু ‘বকুল কথা’। ‘প্ৰথম প্ৰতিশ্ৰুতি’ৰ অবিচ্ছিন্ন সংযোজন ‘সুবৰ্ণলতা’ আৰু ‘বকুল কথা’। ‘প্ৰথম প্ৰতিশ্ৰুতি’ৰ জৰিয়তে জীৱন আৰু জগতত সন্মুখীন হোৱা বিভিন্ন ঘাত-প্ৰতিঘাত, নাৰীৰ সম অধিকাৰ প্ৰাপ্তিৰ বাবে অন্তহীন সংগ্ৰামক উপস্থাপনৰ চেষ্টা কৰিছে। ইবিলাকৰ মাজেদি পৰিৱৰ্তিত সময় আৰু প্ৰয়োজনীয় সংস্কাৰৰ বাবে উপন্যাসিকাই প্ৰয়াস কৰিছে। প্ৰস্তাৱিত প্ৰবন্ধটিত আশাপূৰ্ণা দেৱীৰ এই মহৎ কৃতি ‘প্ৰথম প্ৰতিশ্ৰুতি’ক বিশ্লেষণাত্মক দৃষ্টিৰে চোৱাৰ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দ ঃ** বাল্য বিবাহ, স্ত্ৰীশিক্ষা, আধুনিকতা

**বিষয়ৰ পৰিচয়**

জ্ঞানপীঠ পুৰস্কাৰ বিজয়ী ‘প্ৰথম প্ৰতিশ্ৰুতি’ আঠচল্লিশটা অধ্যায়ৰ সমষ্টি। এই বৃহৎ কলেৱৰৰ গ্ৰন্থখনত সৰু-বৰ, পুৰুষ-নাৰী অনেক চৰিত্ৰ বিদ্যমান। প্ৰজ্ঞাৰ সাধক আশাপূৰ্ণা দেৱী বংগৰ সামাজিক পৰিৱৰ্তনৰ

সূক্ষ্ম পৰ্যবেক্ষক। ১৯৬৪ চনতে প্ৰকাশিত ‘প্ৰথম প্ৰতিশ্ৰুতি’ উপন্যাসত নাৰীৰ দৃষ্টিৰে নাৰীমনৰ সংঘাত সমস্যা দ্বন্দ্ব-দ্বিধা, সংশয় আদি ফুটাই তুলিছে। এনেধৰণে স্বকীয় সত্তাৰ অনুভূতি ফুটাই তোলা আশাপূৰ্ণা দেৱীৰ ভাষা ইমানেই নিখুঁত, তীক্ষ্ণধী আৰু আন্তৰিক যে এটা অধ্যায় পঢ়াৰ পিছত আন এটা এৰিব নোৱাৰি। তেওঁৰ যুক্তি আৰু মতৰ সৈতে একাত্ম নহৈ নোৱাৰি।

**বিষয়ৰ পৰিসৰ আৰু পদ্ধতি ঃ**

মূলতঃ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক দৃষ্টিভংগীৰে আগবাঢ়িব লগা প্ৰবন্ধটিত নিম্নলিখিত বিষয়ৰ পৰিসৰত সামৰাৰ চেষ্টা কৰা হ’ব—

(ক) প্ৰথম প্ৰতিশ্ৰুতি উপন্যাসৰ ভাব আৰু বিষয়বস্তু।

(খ) চৰিত্ৰ চিত্ৰাংকণ।

(গ) সাৰ্থক উপন্যাস কৌশলৰ দক্ষতা।

**মূল আলোচনা**

**‘প্ৰথম প্ৰতিশ্ৰুতি’ উপন্যাসৰ বিষয়বস্তু**

সাহিত্য সমাজৰ দাপোণ। এই দৃষ্টিভংগীৰে চালে আশাপূৰ্ণা দেৱীৰ ‘প্ৰথম প্ৰতিশ্ৰুতি’ বংগ সমাজৰ দাপোণ। বংগ সমাজৰ আচাৰ-আচৰণ, ৰীতি-নীতি, মানৱীয় মূল্যবোধ, সংস্কাৰৰ প্ৰয়োজনীয়তা আদি আটাইবোৰ দিশ সামৰি কাল্পনিক চৰিত্ৰৰ ভেটিত গঢ় লৈ উঠিছে আশাপূৰ্ণা দেৱীৰ ‘প্ৰথম প্ৰতিশ্ৰুতি’। যিকোনো প্ৰচলিত ধাৰণা লেখিকাই পৰীক্ষা-নিৰীক্ষা নকৰাকৈ কেতিয়াও অভ্ৰান্ত বুলি গ্ৰহণ কৰা নাই। তেওঁৰ সত্য দৃষ্টিৰ কষটি শিলত কোনো অসত্য কদাপি তিষ্ঠি থাকিব পৰা নাই। সেয়েহে জীৱনৰ যি দৃষ্টিভংগীৰ তেওঁ সত্য আৰু শুদ্ধ বুলি ভাবিছে, সেই দৃষ্টিভংগীৰেই তেওঁ ‘প্ৰথম প্ৰতিশ্ৰুতি’ ৰচনা কৰিছে। বংগ সমাজৰ উত্তৰণৰ বাবে যিসমূহ প্ৰতিবন্ধকতা আছে, সেই প্ৰতিবন্ধকতা আঁতৰাবলৈ সত্যৱতীৰ যোগেদি আশাপূৰ্ণা দেৱীৰ এক আন্তৰিক প্ৰচেষ্টাৰ আভাস পোৱা যায়। সত্যৱতীৰ যোগেদি তেওঁ সমাজৰ এই প্ৰচণ্ড বাধাৰ বিপৰীতে এক প্ৰতিবাদী সত্তা হৈ থিয় দিব খুজিছে। সেয়ে ‘প্ৰথম প্ৰতিশ্ৰুতি’ উপন্যাসৰ বিষয়বস্তুৰ ঠাইত বিভিন্ন সামাজিক সমস্যাক স্থান দি বিভিন্ন চৰিত্ৰৰ যোগেদি উপস্থাপন কৰি সমাধানৰ প্ৰয়াস কৰিছে।

**বাল্য বিবাহ আৰু বহু বিবাহ**

প্ৰথম প্ৰতিশ্ৰুতি উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ সত্যৱতীৰ বাল্যবিবাহ খুব কম বয়সতে। লেখিকাৰ ভাষাৰে -- “নাকত নাকবালি, কাণত কঁৰিয়া, ভৰিত নেপূৰ আৰু বৃন্দাবনী ছাপ দিয়া, আঠহতীয়া শাড়ী পিন্ধা আঠবছৰীয়া সত্যৱতীজনী।”[১] ত্ৰিশ বছৰীয়া ৰামকালীৰ লগত সদ্যবিবাহিত ন বছৰীয়া ভুৱনেশ্বৰীৰ প্ৰথম কন্যা সন্তান সত্যৱতী। সমাজৰ পৰম্পৰাগত নীতি ৰক্ষা কৰিয়েই সত্যৱতীৰ বাল্যবিবাহ সম্পন্ন হৈছে নৱকুমাৰৰ লগত। বাল্যবিবাহ সফল কৰি তুলিবলৈকে সমাজৰ কিছুমান যুক্তিহীন নীতি-নিয়মৰ বাবহে ন বছৰীয়া পটলীৰ বিবাহ সম্পন্ন কৰাৰ কথা ভাবিছে বৃদ্ধ উদফাই ৰোগী দয়াল মুখাৰ্জীৰ স’তে। সেয়া হোৱা হ’লে পটলী তৃতীয়গৰাকী পত্নী হ’লহেঁতেন। অৱশেষত হঠাৎ ৰাসুৰ সৈতে ৰামকালী ওলাই আহি পটলীৰ স’তে বিবাহ সম্পন্ন কৰালে। অথচ সেই ৰাসুকে আগদিনা পত্নী সাৰদাই অকণো বিলম্ব নকৰাকৈ পতিসেৱা কৰিছিল। এই সাৰদাই নিজৰ সতিনীৰ শুভাগমনত



যন্ত্ৰণাত কাতৰ হৈ পৰিছে। অথচ সত্যৰ বাহিৰে আন কোনো এগৰাকীৰে সহানুভূতি নাই। এয়াই উপন্যাসখনত প্ৰতিফলিত নাৰীজীৱনৰ ছবি। বাল্যবিবাহৰ বাবেই বহু নাৰীৰ জীৱন সমাজৰ পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰৰ উপযোগী হৈ পৰাটো লেখিকাই অন্তৰৰ পৰা সহ্য কৰিব পৰা নাই। সেয়ে প্ৰতিবাদী হৈ উঠিছে অন্তৰৰ পৰা। যি নিয়ম তথা বান্ধোনত পৰি সত্যৱতী নৱ কুমাৰৰ স’তে বিবাহপাশত আবদ্ধ হৈছিল সেই নৱকুমাৰ সত্যৱতীৰ সন্তান সুৱৰ্ণও হঠাৎ বিয়া হৈ গৈছে সত্যৱতীয়ে নজনাকৈয়ে বাল্যকালতে। এই বাল্যবিবাহে সমাজৰ এক অংশ নাৰীৰ উন্নতিৰ ক্ষেত্ৰত হোৱা হেঙাৰ উপন্যাসৰ মূল উপজীৱ্য।

**স্ত্ৰী শিক্ষাৰ পোষকতাৰ অভাৱ**

পুৰুষ নাৰী উভয়ৰ মিলনেহে এখন সফল সমাজ গঢ়ি তোলে। এই পুৰুষ নাৰী হ’ব লাগিব শিক্ষাৰ পোহৰেৰে আলোকিত; কিন্তু উপন্যাসখনত সমাজত স্ত্ৰী-শিক্ষাৰ পোষকতাৰ অভাৱ দেখা গৈছে। সমাজৰ পৰম্পৰাগত ৰীতি অনুসৰি লিখা-পঢ়া নাৰীৰ কাম নহয়। মোক্ষদা, দীনতাৰিণী, পুণ্য আদিয়ে তেনেদৰেই উপলব্ধি কৰে। লিখা-পঢ়া কৰিলে হেনো মানুহ কাণী হয়। মতা মানুহে ভাল কাম কৰিব আৰু মাইকী মানুহে বেয়া কাম কৰিব পায়। সেয়েহে সত্যই লিখিব পঢ়িব জনা হোৱা হেতুকে শিৱজায়াই কৈছে -- “নালাগে আৰু ঘৰ কৰিব।”[২] মোক্ষদাই ক’লে, “হাৰামজাদীয়ে যেতিয়া জটাৰ নামত ফকৰা ৰচিছিল তেতিয়াই মোৰ সন্দেহ হৈছিল মনত। এতিয়াহে সকলো ওলাই পৰিল।”[৩] উল্লিখিত ধৰণৰ একেই অভিব্যক্তি ৰাসুৰ মাকৰো অৰ্থাৎ সত্যৰ বৰমাক কুঞ্জৰ। সত্য সকলো ক্ষেত্ৰতেই যুক্তিবাদী, সৃষ্টিশীল, বৈজ্ঞানিক দৃষ্টিভংগীসম্পন্ন, অধ্যয়নপ্ৰিয় হোৱাৰ বাবে ঘৰ কৰিব নোৱাৰিব বুলি আশংকা কৰে। সেয়েহে সত্যক লিখা-পঢ়াৰ পৰা আঁতৰাই আনিবৰ বাবে ভুবনেশ্বৰীক দীনতাৰিণীয়েহে অনুৰোধ কৰিছে। কিন্তু ৰামকালীয়ে সত্যৱতীক নিৰুৎসাহিত নকৰিলে। বৰঞ্চ এটা নিৰ্দিষ্ট সময়ত ৰামকালীৰ ওচৰত পঢ়িবলৈ আহিব পাৰিব বুলি ক’লে; কিন্তু তেনে ৰামকালী অকল এজনহে। সত্যৱতী এজনীহে; কিন্তু সত্যৱতী শিক্ষা আহৰণৰ প্ৰচেষ্টাৰে নিজে আৰ্জি ল’লে বিদ্যা। শিক্ষিত কৰি তুলিলে সুহাসিনীক। সত্যৱতীৰ এই চৰিত্ৰ নৱকুমাৰৰ মতে কালো কাল, বিপৰীত কাল। প্ৰচলিত নীতি অনুসৰি পাঁচ বছৰৰ আগত সত্যৱতীয়ে কিবা এটা শিকাবলৈ ল’লেই এলোকেশী জ্বলি-পুৰি মৰে আৰু চেলু উলিয়াই বাৰে বাৰে মাত লগাই তাইক লিখা-পঢ়াৰ পৰা উঠাই আনিহে এৰে। সুৱৰ্ণই খৰি মাটি এডাল লৈ বহিলেই পেলা, দলিয়াই পেলা, ইত্যাদি তীব্ৰ মন্তব্য কৰি বেচেৰীক বিবুদ্ধিত পেলায়। সত্যৱতী শিক্ষাৰ আলোকেৰে সমাজক দিকদৰ্শন কৰা এগৰাকী নাৰী। যিখন সমাজত শাহুৱেক এলোকেশীৰ মতে সত্যৱতী নিজে সাক্ষৰ হৈ আন ছোৱালীক পঢ়ুওৱাটো চুৰি ডকাইতিতকৈ মাৰাত্মক ঘটনা ; সেইখন সমাজত স্ত্ৰী শিক্ষা প্ৰচাৰ আৰু প্ৰসাৰ হ’বলৈ বহু পৰিক্ৰমা পাৰ হ’ব লাগিব। আশা পূৰ্ণাদেৱীয়ে ‘প্ৰথম প্ৰতিশ্ৰুতি’ ৰ জৰিয়তে স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত এখোজ আগবঢ়াৰ পৰিকল্পনা কৰিছে।

**ইংৰাজী ভাষা শিক্ষাৰ প্ৰতি অৱজ্ঞা**

সত্যৱতীৰ সৈতে নৱকুমাৰৰ নেদেখাকৈয়ে বিবাহ হৈছিল। নৱকুমাৰে দেউতাক নীলাম্বৰ বানাৰ্জিৰ ইচ্ছা নথকা সত্ত্বেও ভৱতোষ বিশ্বাসৰ ওচৰত ইচকুলত ইংৰাজী শিকিবলৈ গৈছে। নীলাম্বৰ বানাৰ্জিৰ মতে ভৱতোষ বিশ্বাস গাঁৱৰ ল’ৰাবোৰ উদণ্ড কৰি তোলাৰ গুৰু। যি সাজ পিন্ধি নৱকুমাৰ মেলেছৰ ভাষা শিকিবলৈ যায়, সেই সাজ ঘৰৰ ভিতৰলৈ নিয়া নিষেধ। উক্ত চোলা- চুৰিয়া সলাই থৈ হাত-ভৰি ধুই পখালি-গংগাজল

স্পৰ্শ কৰি শুদ্ধ হ'ব লাগে। ইংৰাজী ভাষাৰ প্ৰতি সমাজৰ এই অৱজ্ঞাই সমাজক কেনে দিশলৈ অৱনমিত কৰিব তাক সহজে অনুমেয়। ইংৰাজী ভাষা এক আন্তৰ্জাতিক ভাষা। জ্ঞান আহৰণৰ কথা বাদ দিও দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যাওঁতে ইংৰাজী ভাষাৰ যি অপৰিহাৰ্য প্ৰয়োজনীয়তা, সেই কথা ফুটাই তুলিবৰ বাবেই সংকল্পবদ্ধ হৈছে। ইয়াতে নৱকুমাৰ সাংঘাতিক ধৰণে উচপ খাই উঠিছে। নৱকুমাৰৰ মতে কেৱল মতা মানুহেহে ইংৰাজী শিকিব পাৰে, মাইকী মানুহে নোৱাৰে; কিন্তু সত্যৱতী দৃঢ় প্ৰতিজ্ঞ। সত্যৱতীয়ে ভৱতোষ মাষ্টৰৰ পৰা ইংৰাজী ভাষা আয়ত্ত কৰিছে এৰিলে। প্ৰকৃততে আশাপূৰ্ণা দেৱীয়ে জনসাধাৰণৰ ইংৰাজী ভাষা সম্পৰ্কীয় দৃষ্টিভংগী সলনি কৰিব বিচাৰিছিল।

**নাৰীৰ ব্যক্তিসত্তাক সমমৰ্যাদা প্ৰদানৰ অভাৱ**

বংগ সমাজৰ মাজত লালিতা-পালিতা আশাপূৰ্ণা দেৱীয়ে মৰ্মে মৰ্মে অনুভৱ কৰিছিল নাৰীৰ ব্যক্তিসত্তাক সমমৰ্যাদা প্ৰদানৰ অভাৱৰ কথা। ঔপন্যাসিকাই বিভিন্ন চৰিত্ৰৰ যোগেদি এই কথা স্পষ্ট কৰি তুলিছে। সত্যৱতী যিদৰে যুক্তিবাদী আৰু প্ৰগতিবাদী ভাৱধাৰাৰ অধিকাৰী, ঠিক সেইদৰে মোক্ষদা পৰম্পৰাগত আৰু ৰক্ষণশীল মনোভাৱৰ অধিকাৰী। সেয়ে মোক্ষদাৰ সকলো কথা সত্যৱতীয়ে মানি ল'ব নোৱাৰে। সেয়েহে পেহী আইতাক মোক্ষদাৰ লগত সত্যৱতীৰ যুক্তিপূৰ্ণভাৱে কথাৰ কটাকটি হওঁতে কৈছে-- “বাপেকৰ সুৱাগ পাই পাই যে মূৰত উঠিছেগৈ বোলো শহুৰি খাটিব নালাগিবনেকি? পৰৰ স'তে ঘৰ নকৰনেকি? আৰুনো কেইদিন তই ধুমুৰীয়ে ওভতগোৰে নাচি ফুৰিবি? বৰ বেছি আৰু বছৰ দুই চাৰি, তাৰ পাছত ডিঙিত ডোল দি টানি আঁজুৰি লৈ নাযাবনে ? তেতিয়া বাৰু কি কৰিবি তই?”[4] এনে সমাজত মোক্ষদাহঁতৰ মতে, — নাৰী পুৰুষৰ অধীন। নাৰীৰ কোনো স্বকীয় মৰ্যাদা নাই। এনে সমাজতে জটাৰ ঘৈণীয়েকৰ দৰে মানুহক ভাত খোৱাৰ পাছত মুহুদিৰ তামোল নিদিয়াৰ অপৰাধত শাৰীৰিক অত্যাচাৰ কৰে। মোক্ষদাহঁতৰ মানেকত ঘৈণীয়েকহঁতৰ ওপৰত গিৰিয়েকে বীৰত্ব দেখুৱাই চৰ, ভুকু, গোৰ মৰাটো সাধাৰণ কথা। দিনৰ দিনটো শাৰীৰিক পৰিশ্ৰম কৰাৰ মাজতে অকণমান জিৰণি লোৱাটো হেনো মাইকী মানুহৰ কুলক্ষণ। সমাজে কিছুমান নীতি-নিয়ম মহিলাৰ বাবে সৃষ্টি কৰিছে -- উদাহৰণস্বৰূপে পূৰ্ণিমাৰ দিনা আম-কঠাল, ফল-মূল খালেই হৈ যায় বিধৱাৰ।

উপন্যাসখনত সততে দেখিবলৈ পোৱা গৈছে নাৰীৰ প্ৰতি পুৰুষৰ সমবোধৰ অভাৱ। সমাজৰ মতে তিৰোতা হ'ল চাউল সিজোৱ, ল'ৰা কোবোৱা, চুবুৰীত মেল মাৰি ফুৰা, ফচহু কথাৰ চাং পতা, কন্দল কৰি অকথ্য-অশ্ৰাব্য গালি শপনি পৰা, শোকত শিকিত দিয়া মাছ যেন হোৱা, হিয়া ঢাকুৰি কন্দা জাতি। এনে সমাজত শংকৰীৰ বিয়াৰ এবছৰ নৌহওঁতেই পতিৰ মৃত্যুৰ বাবে দায়ী কৰা হৈছে শংকৰীক। চিপজৰী লৈ মৰিবলৈ সেয়েহে শংকৰীক পৰামৰ্শ দিছে। সত্যৱতী ইয়াতেই প্ৰতিবাদী সত্তা হৈ থিয় দিছে।

উপন্যাসখনত চিত্ৰিত সমাজত পৰপুৰুষে পৰস্ত্ৰীৰ লগত কথা পতা নিষেধ। সত্যই এই পৰম্পৰা কলিকতাত আহি তচনচকৈ ছিঙি পেলালে। সত্যৰ মন আধুনিকতাৰে ভৰা। সেয়ে সত্যই কলিকতালৈ আহি গুৰুৰ স'তে পোনপটীয়াকৈ মত বিনিময় কৰিবলৈ ধৰিলে। সত্যৱতীৰ মানেকত গুৰু ভৱতোষ মাষ্টৰৰ ক্ষেত্ৰত সন্মান শ্ৰদ্ধা ভক্তি কৰিব। কিন্তু লাজ ভয় কিহৰ বাবে কৰিব? নৱকুমাৰ এই কথাত সাংঘাতিকভাৱে উচপ খাই উঠিছে।

জীৱনত প্ৰতিগৰাকী নাৰীয়েই মৰ্যাদা সহকাৰে জীয়াই থাকিবৰ বাঞ্ছা কৰে। নাৰী-পুৰুষে উভয়েই



উভয় সত্তাক মৰ্যাদা দিয়াটো বাঞ্ছনীয়। মৰ্যাদাহীন জীৱনে কোনো নাৰী বা পুৰুষক জীৱনটো উপভোগৰ পৰিতৃপ্তি প্ৰদান কৰিব নোৱাৰে। ঔপন্যাসিকাই সমাজত দৈনন্দিন জীৱনত নাৰীৰ মৰ্যাদাহীন অৱস্থাক চিত্ৰায়ণ কৰিছে। চৰিত্ৰসমূহৰ মাজেদি। প্ৰতিবাদ কৰিব বিচাৰিছে সত্যৱতীৰ যোগেদি। অক্ষমণীয় দোষ কৰাৰ পাছতো নীলাম্বৰ বানাৰ্জিৰ ভৰিৰ ধূলা মূৰত ল'ব লাগে। কাৰণ তেওঁ পুৰুষ। পুৰুষৰ এক সুকীয়া মৰ্যাদা আছে। কিন্তু সাহসী নিৰ্ভীক সত্যৱতীয়ে দেখুৱালে সততা আৰু জ্যেষ্ঠতাকহে মূল দোৱাব পাৰি। ঔপন্যাসিকা আশাপূৰ্ণা দেৱীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে মৰ্যাদাহীনভাৱে জীৱন অতিবাহিত কৰা কোনো নাৰীয়ে উত্তৰণৰ পথত আগবাঢ়িব নোৱাৰে। ই সমাজৰ বাবে অত্যন্ত ক্ষতিকাৰ। লেখিকাই জীৱনত নাৰীক মৰ্যাদা নিদিয়াৰ কথাটো বিভিন্ন চৰিত্ৰৰ যোগেদি আগবঢ়াই উপন্যাসখনত গুৰুত্ব প্ৰদান কৰিছে।

**আধুনিকতাৰ ওপৰত অনাস্থা**

'প্ৰথম প্ৰতিশ্ৰুতি' উপন্যাসৰ বিষয়বস্তু বিশ্লেষণ কৰিলে দেখা যায় যে আধুনিকতাৰ ওপৰত অনাস্থা ইয়াৰ আন এটা বিশেষ দিশ। উপন্যাসৰ চৰিত্ৰসমূহে কোনো কথাকে আধুনিকতাৰ দৃষ্টিভংগীৰে চাব পৰা নাই। আনকি চিকিৎসা ব্যৱস্থাৰ ক্ষেত্ৰতো। স্বামী নৱকুমাৰৰ আৰোগ্য কামনাৰে ডাক্তৰ মতাওঁতে সকলোৰে মাজত বু-বু-বা-বা হৈছে। ঔপন্যাসিকাৰ ভাষাৰে --

'খবৰটো শুনি সকলোৰেই ঠাইতে থৰ লাগিল, যাৰ যি বয়সত আছিল সেই বয়সতে গোট মাৰিলে। বানাৰ্জিৰ কুলক্ষণীয়া ৰণচণ্ডী বোৱাৰীজনীৰ কথা জানিবলৈ কাৰো বাকী নাছিল, কিন্তু এইহে ভাবি পোৱা নাছিল। তাইক গটিয়াই-ঢকিয়াই উলিয়াই নিদিয়ে কিয়?'[5]

সকলোৰে মতে সত্যৱতীক ককৰ্থনা কৰিবলৈ ভাষাৰ অভাৱ। ইফালে শহুৰ-শাহুৰেকক আলপৈচান ধৰাৰ দৰে মহৎ কৰ্ম পৰিহাৰ কৰি ল'ৰাহঁতক ভাল ইচকুলত পঢ়ুৱাবৰ আহিলা দেখুৱাই বেহা কৰিবলৈ ওলোৱা সত্যক সকলোৱে মনে মনে ধিক্কাৰ জন্মায়। সত্যই দুই পুত্ৰ সাধন আৰু সৰলক পঢ়ুৱাবলৈ নিয়া কথাত জাত গৈছে বুলি উপলুঙা কৰিছে। পুৰুষ আৰু নাৰী যেন সম মৰ্যাদাৰ নহয়। সেয়ে নৱকুমাৰৰ মতে কেৱল মতা মানুহহে কলিকতালৈ যাব পাৰে, মাইকী মানুহে নোৱাৰে; কিন্তু নৱকুমাৰৰ এই পুৰণি ৰীতিক প্ৰত্যাহ্বান জনাই সত্যই আধুনিকতাক গ্ৰহণ কৰিবলৈ পৰিয়ালক, সমাজক বাধ্য কৰিলে।

বিবাহ হ'ল এক পবিত্ৰ বান্ধোন। এই বান্ধোন অনুসৰি এগৰাকী কন্যা চিৰদিনৰ বাবে পিতৃগৃহ এৰি স্বামী গৃহাভিমুখে যাত্ৰা কৰে। এজনে আনজনৰ বিষয়ে সবিশেষে জনাটো বাঞ্ছনীয়; কিন্তু বিয়াৰ এই আধুনিক ধ্যান-ধাৰণাৰ ওপৰত অনাস্থা সকলোৰে। মোক্ষদা, ভুৱনেশ্বৰী, এলোকেশী প্ৰসংগত উল্লেখযোগ্য যে যি আধুনিকতাই সমাজৰ উত্তৰণৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়, সেই আধুনিকতাৰ ওপৰত অনাস্থাই সমাজৰ অৱক্ষয় আনে। সেই যে ঔপন্যাসিকাই উপন্যাসৰ বিভিন্ন চৰিত্ৰৰ যোগেদি এই অনাস্থা আতৰাবৰ প্ৰয়াস কৰিছে।

**'প্ৰথম প্ৰতিশ্ৰুতি'ৰ চৰিত্ৰ চিত্ৰাংকন**

উপন্যাসখনত আশাপূৰ্ণা দেৱীয়ে চৰিত্ৰ চিত্ৰাংকনত অতি দক্ষতাৰ পৰিচয় দিছে। দীনতাৰিণী, মোক্ষদা, শিৱজায়া, এলোকেশী, মুক্তকেশী, ভাবিনী, শংকৰী ইত্যাদিক যিদৰে এহাতেদি সমাজৰ নিয়মৰ বশৱৰ্তী চৰিত্ৰ হিচাপে উপস্থাপন কৰিছে ; আনহাতেদি সত্যৱতী, সুহাসিনী আদি চৰিত্ৰক সমাজৰ উত্তৰণৰ বাবে থিয় দিয়া চৰিত্ৰ হিচাপে উপস্থাপন কৰিছে। পুৰুষ চৰিত্ৰ চিত্ৰণলৈ লক্ষ্য কৰিলে দেখা যায় যে ৰামকালী

জয়কালী, নিতাই কুণ্ডুহ জটা, নীলাম্বৰ বানাৰ্জি, সাধন, সৰল, মুকুন্দ মুখাৰ্জী, লক্ষ্মীকান্ত বানাৰ্জি, ভৱাতাৰ আদি প্ৰত্যেকৰে নিজ নিজ এক দৃষ্টিভংগী আছে। প্ৰতিটো চৰিত্ৰৰে কেতবোৰ বিশেষ বৈশিষ্ট্য আছে। বৈশিষ্ট্যসমূহৰ স'তে সংগতি ৰাখি ঔপন্যাসিকাই প্ৰতিটো চৰিত্ৰ সৃষ্টি কৰোঁতে পাঠকৰ চকুৰ সমুখত সেই চৰিত্ৰই ধৰা দিয়ে। এখন সাৰ্থক উপন্যাস চৰিত্ৰ চিত্ৰাংকনৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। আশাপূৰ্ণা দেৱী সফল চৰিত্ৰ চিত্ৰাংকনে এখন সাৰ্থক উপন্যাস হোৱাত সহায় কৰিছে।

**সাৰ্থক উপন্যাস কৌশলৰ দক্ষতা**

কাহিনী, চৰিত্ৰ, পৰিৱেশ সৃষ্টি আদি সাৰ্থক উপন্যাস ৰচনাৰ উপাদান। এই কৌশলসমূহ উপন্যাসিকাই অতি সুন্দৰভাৱে আয়ত্ত কৰি ব্যৱহাৰ কৰিছে। উপন্যাসৰ কাহিনীভাগ এনেদৰে আগবাঢ়িছে যে পাঠকে শেষ নকৰালৈকে মানসিক আগ্ৰহ অটুট থাকে। বিভিন্ন মানসিক স্তৰৰ চৰিত্ৰ চিত্ৰণে কাহিনীটোৰ সফল অগ্ৰগতিৰ ক্ষেত্ৰত সহায় কৰিছে। উপন্যাস যিহেতু জীৱনৰ কলাত্মক প্ৰকাশ, গতিকে জীৱনৰ গভীৰতালৈ প্ৰৱেশ কৰি স্বকীয় উদ্ভাৱনাৰে কৰা জীৱনৰ বিভিন্ন দিশৰ শৈল্পিক ৰূপায়ণৰ ওপৰতহে তাৰ সফলতা নিৰ্ভৰ কৰে। আশাপূৰ্ণা দেৱীয়ে সত্যৱতীৰ জৰিয়তে জীৱনৰ গভীৰতম কক্ষত প্ৰৱেশ কৰি জীৱন আৰু জগত সম্বন্ধীয় বাস্তৱ অভিজ্ঞতাৰে শব্দৰ চাতুৰ্যৰে এখন সাৰ্থক উপন্যাস 'প্ৰথম প্ৰতিশ্ৰুতি' ৰচনা কৰিছে নিজৰ পৰিশীলিত অভ্যাসেৰে।

**উপসংহাৰ**

বাংলা সাহিত্য জগতত আশাপূৰ্ণ দেৱীৰ 'প্ৰথম প্ৰতিশ্ৰুতি' এটি উৎকৃষ্ট সৃষ্টি। তেওঁৰ ক্ষুৰধাৰ লিখনীয়ে বংগ সমাজৰ আড়ম্বৰপূৰ্ণ মোহজাল ছিন্নভিন্ন কৰি সমাজৰ প্ৰকৃত ৰূপ উদঙাই ধৰিছে। সমাজৰ এই সত্যতা উদঘাটন কৰা প্ৰথম সাহিত্যিক আশাপূৰ্ণা দেৱী বিংশ দশকৰ বিভিন্ন সংকটকালীন সময়ত প্ৰস্ফুটিত হোৱা উপন্যাসৰ কণ্ঠস্বৰ। বংগ সমাজ আৰু বংগ নাৰীৰ এক সংকট আৰু জটিল সন্ধিক্ষণৰ কালতেই আশাপূৰ্ণা দেৱীয়ে আত্মপ্ৰতিষ্ঠাৰ বাটত খোজ দিয়ে।

সৃষ্টিশীলতা কেৱল মানুহৰ বিৰল একচেটিয়া সম্পদ। আশাপূৰ্ণা দেৱী এগৰাকী উচ্চস্তৰৰ সাহিত্যিক। এই সত্তা স্বাধীন। বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ভাষালৈ অনূদিত হোৱা এইগৰাকী উপন্যাসিকাৰ 'প্ৰথম প্ৰতিশ্ৰুতি' যথাৰ্থতে এক কালজয়ী সৃষ্টি।

**পাদটীকা ঃ**

১। আশাপূৰ্ণা দেৱী, প্ৰথম প্ৰতিশ্ৰুতি, পৃষ্ঠা নং ৩
২। আশাপূৰ্ণা দেৱী, প্ৰথম প্ৰতিশ্ৰুতি, পৃষ্ঠা নং ১৫১
৩। আশাপূৰ্ণা দেৱী, প্ৰথম প্ৰতিশ্ৰুতি, পৃষ্ঠা নং ১৫১
৪। আশাপূৰ্ণা দেৱী, প্ৰথম প্ৰতিশ্ৰুতি, পৃষ্ঠা নং ১৫
৫। আশাপূৰ্ণা দেৱী, প্ৰথম প্ৰতিশ্ৰুতি, পৃষ্ঠা নং ৩৩৯

**সহায়ক গ্ৰন্থ ঃ**

দেৱী, আশাপূৰ্ণা ঃ প্ৰথম প্ৰতিশ্ৰুতি, প্ৰথম প্ৰকাশ, এপ্ৰিল ১৯৭৯
দেৱী, আশাপূৰ্ণা ঃ সুৱৰ্ণলতা, প্ৰথম প্ৰকাশ, নৱেম্বৰ, ১৯৯৭
দেৱী, আশাপূৰ্ণা ঃ বকুল কথা, প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ১৯৯১